**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 03-01-2026**
**Time : 21-25 Hrs.**

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ী পৰিদৰ্শন কৰে। শ্ৰীবৈষ্ণৱে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে ৰে'লখন দূৰণিবটীয়া আৰু নৈশ যাত্ৰাৰ উপযোগীকৈ নিৰ্মাণ কৰি উলিওৱা হৈছে। তেওঁ লগতে কয়, যে গুৱাহাটী আৰু ক'লকাতাৰ মাজত চলিবলগীয়া সম্পূৰ্ণৰূপে শীত-তাপ নিয়ন্ত্ৰিত এই ৰে'লগাড়ীখনৰ যাত্ৰা এই মাহৰ মাজভাগত শুভাৰম্ভ কৰা হ'ব। এই ৰে'লসেৱা ভাৰতীয় ৰে'ল বিভাগে দূৰণিবটীয়া যাত্ৰাৰ ক্ষেত্ৰত লোৱা গুৰুত্বপূৰ্ণ সংস্কাৰৰ প্ৰতীক বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীবৈষ্ণৱে কয়, যে বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ীখন দ্ৰুত, আৰামদায়ক যাত্ৰাৰ সুবিধা আৰু অত্যাধুনিক সুৰক্ষা ব্যৱস্থাৰে সুসজ্জিত। ৰে'লগাড়ীখনত আৰামদায়ক শ্লীপাৰ বাৰ্থ, স্বয়ংক্ৰিয় দুৱাৰ আৰু আধুনিক শৌচালয়সহ অত্যাধুনিক যাত্ৰী সুবিধা আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

-বাইট (অশ্বিনী বৈষ্ণৱ)-

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৭ জন অভিযুক্তৰ বিৰুদ্ধে কামৰূপ মহানগৰ জিলা ছেছন ন্যায়াধীশৰ আদালতত তৃতীয়টো শুনানী গ্ৰহণ কৰা হয়। কাৰাৰুদ্ধ ৭ গৰাকী অভিযুক্তৰ আদালতে ভাৰ্চুৱেল ব্যৱস্থাৰে শুনানী গ্ৰহণ কৰে। অভিযুক্তকেইজনৰ হৈ তেওঁলোকৰ অধিবক্তাই জামিন আৱেদন দাখিল কৰে। অমৃতপ্ৰভা মহন্তৰ লগতে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰজ্যোতি গোস্বামীয়ে নিজাববীয়াকৈ অধিবক্তা লাভ কৰিছে। সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ হৈ আইন সেৱা প্ৰাধিকাৰীয়ে নিয়োগ কৰা অধিবক্তাই জামিন আবেদন দাখিল কৰে। অৱশ্যে ন্যায়ালয়ে এই আবেদন সন্দৰ্ভত ৰায়দান সংৰক্ষিত ৰাখে। ১৭ জানুৱাৰীত এই আবেদন সন্দৰ্ভত শুনানী গ্ৰহণ কৰা হ'ব আৰু চৰকাৰী পক্ষৰ অধিবক্তাই সেইদিনাই এই জামিন আবেদনৰ বিৰুদ্ধে আপত্তি দৰ্শাব। এই শুনানীতে অভিযুক্তসকলৰ বিচাৰৰ ধাৰা নিশ্চিত কৰা হ'ব। ০০০০০

০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাৰ আজি একাদশ দিনালৈকে ৫ কোটি ৭০ লাখ টকাৰো অধিক মূল্যৰ গ্ৰন্থ বিক্ৰী হৈছে বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। আজিও শীতকো নেওচি গ্ৰন্থমেলাথলীত বহু লোকৰ সমাগম হয়। আজি গ্ৰন্থমেলাৰ প্ৰাঙ্গনত মহিলাসকলৰ ভিন্ন সুৰী কাৰ্য্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে বিয়লি ৩ বজাৰ পৰা বহুভাষিক কবি সন্মিলন অনুষ্ঠিত হয়। অপৰাজিতা পূজাৰীয়ে সঞ্চালনা কৰা এই অনুষ্ঠানত হায়দৰাবাদৰ বিশিষ্ট কবি ৰমেশ কাৰ্তিক আৰু

উত্তৰ প্ৰদেশ আগশাৰীৰ কবি গৌৰৱ পাণ্ডে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। বহুভাষিক কবি সন্মিলনখনত ৰাজেন্দ্ৰ নাথ বৰদলৈ, নিলীমা ঠাকুৰীয়া হক, ৰাজীৱ ফুকন, জয়জিৎ ডেকা, মৃদুল হালৈ, ৰশ্মি চৌধুৰীৰ লগতে কেইবাগৰাকী কবিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে বিদ্যালয়ৰ সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০

গ্ৰন্থৰ ভৱিষ্যত শক্তিশালী কৰাৰ বাবে বিষয়বস্তু আৰু প্ৰকাশৰ দিশৰ পৰা মানসম্পন্ন গ্ৰন্থ সৃষ্টিৰ লগতে পঢ়ুৱৈৰ সৃষ্টিৰ প্ৰয়োজন। আকাশবাণী গুৱাহাটীৰ আজিৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত এটা আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী ৰুণুমী মহন্তই এই কথা প্ৰকাশ কৰে। ড০ হাজৰিকাই গ্ৰন্থসমূহ চিৰস্থায়ীৰূপত সংৰক্ষণ কৰাৰ বাবে গ্ৰন্থ সংগগ্ৰহালয় স্থাপনৰ প্ৰয়োজন বুলি মত প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে বহু পুৰণি আৰু মূল্যবান গ্ৰন্থ শ্ৰেণীবদ্ধ আৰু নিয়াৰিকৈ সংৰক্ষণ কৰি ভৱিষ্যত প্ৰজন্মৰ বাবে সঞ্চয় কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত নৱ প্ৰজন্মৰ লেখক মনস্বিনী ৰুণুমী মহন্তই অসম চৰকাৰৰ গ্ৰন্থবৰ্ষৰ  পদক্ষেপে নৱ প্ৰজন্মৰ লেখকসকলক বিশেষভাৱে উৎসাহিত কৰাৰ লগতে ৰাজ্যত বৌদ্ধিক পৰিবেশ সৃষ্টিত উল্লেখনীয় ভূমিকা লৈছে বুলি মন্তব্য কৰে। অনুষ্ঠানটিৰ প্ৰযোজনা আছিল আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

চিপাঝাৰ সাহিত্য সভাৰ শতবৰ্ষ কাৰ্যসূচীৰ অংশ হিচাপে আজি অসম সাহিত্য সভাৰ শাখা সভাখনৰ চিপাঝাৰত থকা স্মৃতি ভৱনত এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এই সভাত ইনামুল মজিদ ৰচিত এটা পানীচোলাৰ কাহিনী শীৰ্ষক গ্ৰন্থখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰববী অধ্যাপক, বিশিষ্ট কবি, লেখক ড° এম কামালুদ্দিন আহমেদে উন্মোচন কৰে। এই অনুষ্ঠানত দৰং জিলা সাহিত্য সভাৰ সভাপতি অক্ষয় কুমাৰ নাথ, প্ৰাক্তন সভাপতি ৰজনীকান্ত নাথকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাষণ দিয়ে।

০০০০

কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৃষকৰ উপাৰ্জন বৃদ্ধি কৰাৰ লক্ষ্যৰে  ন্যূনতম সমৰ্থন মূল্যত শালিধান ক্ৰয়ৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ অংশ  হিচাপে যোৰহাটত ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰা হৈছে। জিলাখনৰ ন-কচাৰী, ঢেকৰগঢ়া আৰু মাধপুৰ হাঁহচৰাত অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডৰ অধীনত এই কেন্দ্ৰ মুকলি কৰা হৈছে। জিলাখনৰ কৃষকসকলক এই কেন্দ্ৰত ধান বিক্ৰীৰ বাবে প্ৰয়োজনীয় নথি লৈ কৃষি উন্নয়ন বিষয়াৰ সৈতে যোগাযোগ কৰি প্ৰমাণপত্ৰ সংগ্ৰহ কৰিবলৈ আহ্বান জনোৱা হৈছে। তদুপৰি ধান বিক্ৰীৰ বাবে কৃষকসকলক ধানৰ আৰ্দ্ৰতা ১৭ শতাংশৰ তলত ৰাখিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে ২০২৫-২৬ বৰ্ষৰ খাৰিফ শস্যৰ বতৰত শালিধানৰ বাবে চৰকাৰে প্ৰতি কুইণ্টলত ২ হেজাৰ ৫৬৭ টকাকৈ ন্যূনতম সমৰ্থন মূল্য আগবঢ়াইছে। ০০০০

০০০০

**ঃঃ সমাপ্ত ঃঃ**